তোমালোকৰ মাজৰ কোনেও যেন তাৰ কোনো ভাতৃৰ প্ৰতি অস্ত্ৰ টোঁৱাই ইংগিত নকৰে। কাৰণ সি নাজানে, চয়তানে হয়তো তাৰ হাতত হেঁচা দিব পাৰে। ফলত সি (মুছলিম এজনক হত্যাৰ কাৰণে) জাহান্নামৰ গাঁতত পতিত হ'ব পাৰে।

আবু হুৰাইৰাহ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, নবী চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ "তোমালোকৰ মাজৰ কোনেও যেন তাৰ কোনো ভাতৃৰ প্ৰতি অস্ত্ৰ টোঁৱাই ইংগিত
নকৰে। কাৰণ সি নাজানে, চয়তানে হয়তো তাৰ হাতত হেঁচা দিব পাৰে। ফলত সি (মুছলিম এজনক হত্যাৰ কাৰণে) জাহান্নামৰ গাঁতত পতিত হ'ব পাৰে।" [ছহীহ] [(মুত্তাফাক আলাইহ {বুখাৰী মুছলিম})]

নবী চাল্লাল্লাহু আলাইহি অছাল্লামে হাদীছটোত এজন মুছলিমে আন এজন মুছলিমক যিকোনো ধৰণৰ অস্ত্ৰ শস্ত্ৰ টোঁৱাই কথা ক'বলৈ নিষেধ কৰিছে। কিয়নো সি নাজানে যে, চয়তানে হয়তো সেই অস্ত্ৰটো তাৰ হাতত থকা অৱস্থাতে সঞ্চালন কৰিব পাৰে। ফলত ইয়াৰ দ্বাৰা তাৰ ভাতৃ নিহত হ'ব পাৰে নাইবা আঘাত পাব পাৰে। এতেকে এই গুনাহৰ কাৰণে সি জাহান্নামত নিক্ষিপ্ত হ'ব পাৰে।

http://www.sunnah.global/hadeeth/as/show/66246